# মাটি মৈয়োৱা

www.rkbassam.in

*Rice Fact Sheet*

মাটিডৰা সমান কৰা বা মৈয়োৱা আৰু খেতি পথাৰত আলি দিয়াটো সকল শস্য পৰিচৰ্যাৰ আধাৰ। সমান মাটিয়ে খেতিডৰাৰ কাৰ্যদক্ষতা বৃদ্ধি কৰে । মাটি মৈয়োৱাৰ ফলত



- পানী ব্যৱহাৰৰ কাৰ্যদক্ষতা আৰু উৎপাদন বৃদ্ধি হয়।
- অপতৃণৰ সমস্যা হ্ৰাস হয়।
- একেসময়তে ধান পকিব লয় ।
- সমগ্ৰ প্ৰক্ৰিয়াটোৰ বাবে প্ৰয়োজনীয় সময় হ্ৰাস পায়।
- মাটি প্ৰস্তুতিৰ বাবে প্ৰয়োজনীয় পানীৰ পৰিমান হ্ৰাস পায় ।



**উৎপাদন হাৰ**

মাটি মৈয়োৱাৰ ফলত ধানৰ উৎপাদনৰ হাৰ ১৫-২০ শতাংশ বৃদ্ধি পায়। বৰষুণ নিৰ্ভৰশীল ধান খেতিৰ পথাৰত প্ৰতি ছেমিঃ মাটি সমান কৰোতে যদি হ্ৰিন-দেৰী ঘটে, তেতিয়া ২৫০-৩০০ কিঃগ্ৰাঃ পৰ্যন্ত উৎপাদন কমি যাব পাৰে।



**অপতৃণ নিয়ন্ত্ৰণ ঃ**

মাটি সমতলীকৰণ কৰাৰ দ্বাৰা পানী কেউফালে বিয়পাই অপতৃণৰ পৰিমাণ ৩০-৪০ শতাংশ হ্ৰাস কৰিব পাৰি আৰু নিৰণিৰ সময় তথা শ্ৰম প্ৰতিদিনে ১৫-২০ জন মানুহলৈ কমাব পাৰি।

**খেতি পথাৰ পৰিচৰ্যা ঃ**

মাটি মৈয়োৱাৰ দ্বাৰা সৰু সৰু কৃষিভূমি বোৰ একেলগ হৈ পথাৰৰ আকাৰ বৃদ্ধি হয়। এনেদৰে খেতি পথাৰখন ডাঙৰ হলে আলিৰ সংখ্যা হ্ৰাস পায় আৰু যন্ত্ৰ ব্যৱহাৰত সুবিধা হয়।



**বীজ সিঁচা প্ৰক্ৰিয়া ঃ**

মাটি সমান কৰিলে বীজ সিঁচাৰ সময় হ্ৰাস পায় আৰু বীজ সিঁচাৰ কাৰ্যদক্ষতা বৃদ্ধি হয়। সমতল খেতি পথাৰত পোনপটীয়াকৈ বীজ সিঁচিলে ৫০ শতাংশ পৰ্যন্ত বীজৰ পৰিমাণ কমি যায় । তদুপৰি যান্ত্ৰিক ভাবে বীজ ৰোপন আৰু সংৰোপণ কৰাত সুবিধা হয় ।



**পানী ব্যৱহাৰৰ কাৰ্যদক্ষতা ঃ**

সমতল পথাৰত পানী ব্যৱহাৰৰ কাৰ্যদক্ষতা ১৫ শতাংশ বৃদ্ধি পায় । আনহাতে মাটি প্ৰস্তুতকৰণো উন্নত হয়।

Assam Agribusiness and Rural Transformation Project (APART)

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART

The opinions expressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. *Attribution – Non Commercial-Share Alike 3.0 (Unported)*